**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-09-2025
**Time :** 21-25  Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

উত্তৰ পূৰ্বাঞ্চলৰ দুদিনীয়া ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি কলকাতা অভিমুখে ৰাওনা হয়। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে অসমত ১৮ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

শ্ৰীমোদীয়ে আজি গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰত ৫ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰে। তেওঁ লগতে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে এখন জনসভাত অংশ লৈ দিয়া ভাষণত কয় যে ভাৰতে শক্তি খণ্ডত আত্মনিৰ্ভৰ হোৱাৰ দিশত অগ্ৰসৰ হৈছে আৰু বিদেশৰ পৰা আমদানি কৰা ইন্ধনৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰিছে। গেছ আৰু তেলৰ বিকল্প হিচাপে ইথানলৰ চাহিদা বৃদ্ধি হৈছে মন্তব্য কৰি শ্ৰীমোদীয়ে কয় যে এই নতুন জৈৱ ইথানল প্ৰকল্পই ৫০ হাজাৰ বাঁহ খেতিয়কক আৰ্থিকভাৱে সবল কৰি তোলাৰ লগতে বহনক্ষম উন্নয়নৰ পথ মুকলি কৰিব।

অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে  এই জৈৱ ইথানল প্ৰকল্পৰ বাবে বছৰি প্ৰায় ৫ লাখ টন বাঁহৰ বজাৰ গঢ় লৈ উঠিব। ইয়াৰ ফলত ৰাজ্যৰ প্ৰায় ৩০ হাজাৰ পৰিয়াল উপকৃত হ'ব।

ইয়াৰ আগেয়ে, প্ৰধানমন্ত্ৰী মোদীয়ে দৰং জিলাৰ মঙলদৈত ৬ হাজাৰ ৩০০ কোটি টকা ব্যয়সাপেক্ষে তিনিটা বিশেষ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত ভাৰত সম্প্ৰতি বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতিত পৰিণত হৈছে বুলি উল্লেখ কৰি অসমকো দেশৰ অন্যতম দ্ৰুত বিকশিত ৰাজ্য বুলি অভিহিত কৰে। তেওঁ কয় যে স্বাধীনতাৰ পাছত দেশৰ দক্ষিণ আৰু পশ্চিম অংশত ঔদ্যোগিক খণ্ডৰ বিকাশ হ'ল যদিও উত্তৰ পূৰ্বাঞ্চল অপৰিৱৰ্তিত হৈ থাকিল। এতিয়া উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ সময় বুলি উল্লেখ কৰি তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে এই খণ্ডৰ যোগাযোগ উন্নয়নৰ বাবে কাম কৰি আছে। শ্ৰীমোদীয়ে অনুপ্ৰবেশকাৰীৰ প্ৰসঙ্গ উল্লেখ কৰি দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি দৃঢ়তাৰে ঘোষণা কৰে।

ooooo

ৰাজ্যত আজি বিয়লি ভূমিকম্পৰ প্ৰৱল জোঁকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত ৫ দশমিক ৯ প্ৰাবল্যৰ এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল ঢেকীয়াজুলিৰ সমীপত। মেঘালয় আৰু মণিপুৰকে ধৰি ভূমিকম্পৰ জোঁকাৰণি ভূটান, নেপাল আৰু বাংলাদেশতো অনুভূত হয়।  ভূমিকম্পৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইত দেৱাল আৰু মজিয়াত ফাঁট মেলা, ছিলিং খহি পৰাকে ধৰি ক্ষয়-ক্ষতিৰ বাতৰি পোৱা গৈছে।

ভূমিকম্পত নগাঁও চহৰৰ নুৰুল আমিন ইনড'ৰ ষ্টেডিয়ামৰ চিলিং ভাঙি পৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। অৱশ্যে সেই সময়ত কোনো খেলুৱৈ সেই স্থানত নথকাৰ বাবে অঘটন হোৱাৰ পৰা ৰক্ষা পৰে।

পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাৰ সীমান্তৱৰ্তী লংজাঁপ বজাৰত ভূমিকম্পৰ ফলত এখন দোকান ভাঙি পৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। ইপিনে, অসম ভ্ৰমণ সামৰি উভতি যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলকাতাত উপস্থিত হৈ এই খবৰ পোৱা মাত্ৰেই ৰাজ্যখনৰ পৰিস্থিতিৰ বুজ লয়। তেওঁ প্ৰয়োজন সাপেক্ষে সকলো ধৰণৰ সহায় সহযোগিতাৰো আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণত আছে আৰু ভূমিকম্পৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ মূল্যায়নৰ বাবে কাম কৰি থকা হৈছে বুলি প্ৰকাশ কৰে।

00000

বিটিচি নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা সাংসদ সুষ্মিতা দেৱে আজি চিৰাং জিলাৰ পদ্মপুৰত কাজলগাঁও পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী জিতেন নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লয়। শ্ৰীমতী দেৱে কংগ্ৰেছ দলক সমালোচনা কৰি কংগ্ৰেছে এই পৰিষদীয় নিৰ্বাচনত বিজেপিক সহায় কৰিবলৈহে প্ৰাৰ্থী দিয়া বুলি অভিযোগ কৰে। বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী বনজাৰ দৈমাৰীৰ সমৰ্থনত প্ৰচাৰ চলায়। শ্ৰীমহিলাৰীয়ে এখন বিশাল জনসভাক সম্বোধি কয় যে ইউ পি পি এল দলৰ পূৰ্বৰ পাৰিষদ দিলীপ বড়োৱে বৃহত্তৰ খালিংদুৱাৰ সমষ্টিৰ জনসাধাৰণৰ মৌলিক সমস্যা সমাধানত গুৰুত্ব দিয়া নাছিল। তেওঁ লগতে ইউ পি পি এলৰ পাৰিষদগৰাকী বিভিন্ন জনগোষ্ঠীৰ সৈতে সুসম্পৰ্ক বজাই ৰখাত ব্যৰ্থ হোৱা বুলিও সমালোচনা কৰে। বিধায়ক দুৰ্গা দাস বড়ো, বি পি এফৰ জ্যেষ্ঠ নেত্ৰী কমলা বসুমতাৰীকে ধৰি কেইবাগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰা এই সভাত হাগ্ৰামা মহিলাৰীয়ে বি টি চি নিৰ্বাচনত বি পি এফ দল একক সংখ্যাগৰিষ্ঠতাৰে জয়ী হ'ব বুলি দাবী কৰে।

ইপিনে, বি টি আৰৰ মুৰব্বী তথা ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱে সাংসদ জয়ন্ত বসুমতাৰীৰ সৈতে আজি চৰাইবিল পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ৰাজু কুমাৰ নাৰ্জাৰীৰ সমৰ্থনত হাতীগড় আৰু গুৰুফেলাত বিশাল নিৰ্বাচনী সভাত অংশ লয়। বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আজি সন্ধিয়া থুৰিবাৰী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জমছেৰ আলীৰ সমৰ্থনত পুৰাণ বিজনীত প্ৰচাৰ চলায়। সভাত প্ৰাক্তন সাংসদ আব্দুল খালেক আৰু বিধায়ক প্ৰদীপ কুমাৰ সৰকাৰ উপস্থিত থাকে।

00000

ডিব্ৰুগড় জিলাৰ ঘোঁৰামৰা আৰক্ষী চকীৰ অধীনৰ আলিমূৰত আজি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। আহত লোকজনক সংকটজনক অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। মটৰ চাইকেল আৰু এখন চাৰিচকীয়া বাহনৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয়।

00000

ঃঃ সমাপ্ত ঃঃ